
# পৃথিৱীৰ ভৱিষ্যৎ - শুক্ৰ

শ্ৰেষ্ঠা চাংমাই,অষ্টম শ্ৰেণী, বৰহাট জাতীয় বিদ্যালয়



আমাৰ সৌৰজগতৰ আঠটা গ্ৰহৰ ভিতৰত পৃথিৱীখনেই একমাত্ৰ গ্ৰহ, য'ত জীৱন ধাৰণৰ বাবে প্ৰয়োজনীয় পৰিৱেশ আছে। কিন্তু যি হাৰত পৰিৱেশ বিনষ্ট হ'ব ধৰিছে,অদূৰ ভৱিষ্যতে পৃথিৱীখন আজিৰ দৰে হৈ যে নাথাকিব,সেইটো ধ্ৰুপ।

বিজ্ঞানীসকলৰ মতে,আমাৰ সৌৰজগতৰ সৃষ্টিৰ আদিতে শুক্ৰ আৰু পৃথিৱীৰ অৱস্থা প্ৰায় একে আছিল। কিন্ত সূৰ্যৰ বাঢ়ি অহা তাপে শুক্ৰক পৃথিৱীৰ পৰা পৃথক কৰি পেলালে। শুক্ৰৰ আটাইবোৰ পানী বাষ্প হৈ ডাঠ ডাৱৰৰ তৰপৰ সৃষ্টি হ'ল,উষ্ণতা বাঢ়ি ৯০০°চেলছিয়াছ পালেগৈ,পানীৰ সলনি আইৰণৰ বৰষুণৰ হব ধৰিলে আৰু এটা উত্তপ্ত গ্ৰহৰ দৰে হৈ পৰিল।বিজ্ঞানীসকলে বিভিন্ন তথ্যৰ পৰা জনাইছে যে পৃথিৱীৰ ভৱিষ্যৎ শুক্ৰতকৈও ভয়ানক হব। জীৱন দিওঁতাই( সূৰ্য) জীৱন কাঢ়ি নিব।

আজিৰ পৰা কোটি বছৰৰ পাছত পৃথিৱীৰ অৱস্থা আজিৰ শুক্ৰৰ দৰে হৈ পৰিব। বিভিন্ন তথ্যৰ পৰা বিজ্ঞানীসকলে গম পাইছে সে পূৰ্ণৱস্থা প্ৰাপ্ত হোৱাৰ পৰা (প্ৰায় ৪৫০কোটি বছৰৰ পূৰ্বে) বৰ্তমানলৈকে সূৰ্যৰ উষ্ণতা ১০° বৃদ্ধি পাইছে। যিটো পৃথিৱীৰ বাবে বৰ ভাল খবৰ নহয়।এনেদৰে সূৰ্যৰ তাপ বৃদ্ধি পাই থাকিলে এদিন পৃথিৱীৰ সাগৰ-মহাসাগৰৰ পানীবোৰ খৰ গতিৰে বাষ্পীভূত হ'বলৈ ধৰিব,যাৰ ফলত ডাঠ ডাৱৰৰ তৰপ গঠন হ'ব। ঘন ডাৱৰৰ ফলত তাপবোৰ ওলাই যাব নোৱাৰিব,যাৰ বাবে পৃথিৱীৰ উষ্ণতা বৃদ্ধি হ'ব আৰু কল্পনা কৰিব নোৱাৰাকৈ চাপ বৃদ্ধি পাব। শুক্ৰ গ্ৰহৰ মধ্যাকৰ্ষণ শক্তি নাই বাবে ইয়াৰ উষ্ণতা ৯০০° ছেলচিয়াছত ৰৈ গ'ল। কিন্ত পৃথিৱীক সুৰক্ষা দি থকা এই মধ্যাকৰ্ষণ শক্তিৰ বাবে পৃথিৱীৰ উষ্ণতা অসীমলৈ বাঢ়ি গৈ থাকিব। ফলস্বৰূপে গ্ৰেণাইট শিলকে ধৰি পৃথিৱীৰ পৃষ্ঠখন গলি যাব আৰু আইৰণৰ বৰষুণ পৰ্যন্ত হব পাৰে।

এনে ভয়ংকৰ ভৱিষ্যতৰ পৰা ৰক্ষা পৰাৰ সম্ভাব্য পথ নথকাও নহয়,যাৰ বাবে আমি বিজ্ঞান আৰু প্ৰযুক্তিবিদ্যাৰ ওপৰত সম্পূৰ্ণৰূপে নিৰ্ভৰ কৰিব লাগিব। এইক্ষেত্ৰত বিজ্ঞানীসকলে আগবঢ়োৱা দুটা উল্লেখনীয় আৰ্হি তলত দিয়া ধৰণৰ -

ক) মানৱজাতিয়ে অনতিপলমে পৃথিৱীৰ বাহিৰত আন এক বাসোপযোগী স্থান (গ্ৰহো হ'ব পাৰে) নিৰ্মাণ কৰিব বা বিচাৰি উলিয়াব লাগিব,য'ত জীৱকূলৰ প্ৰতিটো উপাদান থাকিব লাগিব।

খ) সূৰ্যৰ বৰ্ধিত উত্তাপৰ পৰা ৰক্ষা পাবৰ বাবে পৃথিৱীখনক বৰ্তমান স্থানৰ পৰা নাতিদূৰলৈ লৈ যাব লাগিব। এয়া তেতিয়াহে সম্ভৱ যদি এক প্ৰকাণ্ড উল্কাপিণ্ডই পৃথিৱীৰ মধ্যাকৰ্ষণৰ আওঁতালৈ আহি পৃথিৱীখনক দূৰলৈ স্থানচ্যুত কৰে।

বিজ্ঞানীসকলে ভবাৰ দৰে যদি সকলো সম্ভৱ হয়,তেতিয়াহে ভৱিষ্যতে পৃথিৱীৰ জীৱকূল ৰক্ষা পৰিব।



**********